# এখন ৰাষ্ট্ৰ নিৰ্মাণত মূল ভূমিকা লোৱা এটা বেক্টেৰিয়াৰ আদিকথা

- ৰঞ্জন ভূএগা, লক্ষীমপুৰ

ইজৰাইলৰ প্ৰথম ৰাষ্ট্ৰপতি চিম আজিজেল ওয়েজম্যান এজন বিখ্যাত জৈৱ ৰাসায়নবিদ আছিল। বহুতো বৈজ্ঞানিকৰ দৰে তেঁৰো সেই সময়ত জাৰ্মানী সকলৰ ইহুদী বিৰোধী গতি বিধিৰ বাবে জাৰ্মান এৰি পলায়ন কৰিব লগা হৈছিল। তেওঁ ইংলেণ্ডৰ উচ্চস্তৰত কাম কৰি থকা প্ৰসিদ্ধ ৰাসায়নবিদ উইলিয়াম পৰ্কিন্সৰ লগত অনুসন্ধানৰ কাম কৰিছিল। ১৯১৫ ত তেঁও ডেভিড লয়েড জৰ্জৰ সংস্পৰ্শলৈ আহে, যি সেই সময়ৰ গৃহ মন্ত্ৰী আছিল। সেই সময়ত কৌৰডাইট নামৰ এটা অত্যন্ত প্ৰভাৱিত বিস্ফোৰক ব্যৱহাৰ কৰা হৈছিল যি Nitro-glycerin আৰু Cellulose মিলাই বনোৱা হৈছিল। ইয়াৰ উৎপাদনৰ বাবে Acetone ব্যৱহাৰ হৈছিল যি কাঠৰ টুকুৰাৰ পৰা সংগ্ৰহ কৰা হৈছিল। এই প্ৰক্ৰিয়া বহুত ধীৰ আছিল আৰু ইয়াৰ দ্বাৰা বহুত কম মাত্ৰাত এচিটোন পোৱা গৈছিল,সেইয়ে এচিটোনৰ পৰিমান বহুত কম আছিল। জৰ্জে ওয়েজম্যানক কম খৰচত অধিক পৰিমাণৰ এচিটোন উৎপাদনৰ বাবে অন্য কোনো নতুন কৌশল বিচাৰি উলিওৱাৰ দায়িত্ব দিলে।

ওয়েজম্যানৰ মনলৈ আহিল লুই পাশ্চৰ দ্বাৰা খমীৰ (Yeast) ব্যৱহাৰ কৰি চেনীক এলক’ হললৈ পৰিৱৰ্তন কৰা প্ৰক্ৰিয়াটো। তেওঁ ভাবিবলৈ আৰম্ভ কৰিলে যে মাটিত এনে কোনো বেক্টেৰিয়া থাকিব পাৰে নেকি যি অন্যান্য পদাৰ্থৰ পৰা এচিটোন সংগ্ৰহৰ বাবে সহায়ক হ’ ব পাৰে। আৰু কেইটামান সপ্তাহৰ দিন-ৰাতি পৰিশ্ৰমৰ অন্ততঃ Clostridium acetobutylicum নামৰ এনে এটি বেক্টে’ ৰিয়া বিচাৰি উলিয়াবলৈ সক্ষম হ’ ল যি কেৱল এচিটোন প্ৰদান কৰাই নহয় বৰঞ্চ তাতোতকৈও বেছি মূল্যবান পণ্য বুটাৰ্নালও(butanol) নিৰ্মিত কৰিছিল, যি ৰণনীতিৰ দৃষ্টিভংগীতকৈও মহত্বপূৰ্ণ পদাৰ্থ কৃত্ৰিম ৰবৰৰ উৎপাদনত কামত আহিছিল।

ওয়েজম্যানৰ এই আৱিষ্কাৰকলৈ লয়েড জৰ্জ বহুত সুখী হৈছিল, তেওঁ কৈছিল “মই প্ৰধানমন্ত্ৰীক অনুৰোধ কৰিম আপোনাৰ বাবে বিশেষ পুৰস্কাৰ প্ৰদানৰ বাবে” ।কিন্তু ওয়েজম্যানে অতি বিনম্ৰতাৰে মানা কৰি কৈছিল “মহোদয়,মোক নিজৰ বাবে একোকে নালাগে, কিন্তু যদি কিবা কৰিব বিচাৰে আপোনাৰ দৰে ক্ষমতাশীল লোকসকলে পৃথিৱীৰ চুকে কোণে ভয়ে-ভয়ে তথা আতংকত জীয়াই থকা দূৰ্ভগীয়া ইহুদী লোক সকলৰ বাবে এখন স্থায়ী ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে বিচাৰ কৰি চাব” ।

আৰু যেতিয়া লয়েড জৰ্জ নিজেই প্ৰধানমন্ত্ৰী হ’ ল তেতিয়া তেওঁৰ বৈদেশিক মন্ত্ৰী অৰ্ল বৈলফৌৰক এই বিষয়টোক গম্ভীৰ ভাৱে বিচাৰ কৰিবলৈ ক’ লে যি দুই নৱেম্বৰ ১৯১৭ চনৰ পিছৰে পৰা বেলফাৰ ঘোষণাপত্ৰ বুলি জনাজাত হৈ পৰে, যাৰ পৰিণামস্বৰূপে ১৯৪৮ চনত ইজৰাইলক এখন ইহুদী ৰাষ্ট্ৰঃ হিচাপে স্থাপন কৰা হ’ ল। এনেদৰেই এটা বেক্টেৰিয়াৰ আৱিষ্কাৰে এখন ৰাষ্ট্ৰঃ নিৰ্মাণত সহায় কৰিলে।